অধ্যায় ১৪ ঃ বেণীসংহাৰ ঃ সাধাৰণ আলোচনা

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য

১৪.২ পৰিচয়

১৪.৩ বেণীসংহাৰ নাটকখনৰ চমু আভাস

১৪.৩.১ নাটকখনৰ চমু পৰিচয়

১৪.৩.২ শিৰোনামৰ তাৎপর্য

১৪.৩.৩ নাটকখনৰ ৰস

১৪.৩.৪ নাটকখনৰ নায়ক

১৪.৪ 'বেণীসংহাৰ' নাটকৰ অংকসমূহৰ সাৰাংশ

১৪.৫ নাটকৰ প্রধান চৰিত্রসমূহৰ পৰিচয়

১৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৪.৭ অধিক জানিবলৈ

১৪.৮ অগ্রগতিৰ খতিয়ান

১৪.৯ আৰ্হি প্রশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- 'বেণীসংহাৰ' নাটকখনৰ বিষয়ে এটি চমু আভাস লাভ কৰিবলৈ সক্ষম হ'ব
- নাটকখনৰ নামকৰণৰ তাৎপর্যও জানিবলৈ পাৰিব
- নাটকখনত ব্যৱহৃত ৰসৰ বিষয়েও জানিব পাৰিব
- নাটকখনৰ প্রকৃত নায়কৰ বিষয়েও জ্ঞান লাভ কৰিব
- নাটকখনৰ অংকসমূহৰ সাৰাংশও জানিব পাৰিব
- নাটকখনৰ মূল চৰিত্রসমূহৰ পৰিচয়ো জানিবলৈ সক্ষম হ'ব।

১৪.২ পৰিচয়

আগৰ অধ্যায়ত আপুনি বেণীসংহাৰ নাটকৰ ৰচক ভট্টনাৰায়ণৰ জীৱনবৃত্ত, তেখেতৰ কাল, পাণ্ডিত্য, লিখনিৰ বৈশিষ্ট্য আদি বিভিন্ন গুৰুত্বপূর্ণ বিষয়ৰ লগত অৱগত হ'ল। এতিয়া আপুনি এই অধ্যায়ত ভট্টনাৰায়ণ ৰচিত বেণীসংহাৰ নাটকৰ বিষয়ে কিছু সাধাৰণ জ্ঞান লাভ কৰিব পাৰিব। বেণীসংহাৰ নাটকখনে সংস্কৃত সাহিত্যত এক উল্লেখযোগ্য স্থান অধিকাৰ কৰি আহিছে। আলংকাৰিকসকলৰ মতে দহপ্রকাৰ ৰূপকৰ ভিতৰত নাটক সর্বপ্রথম। সংস্কৃত সাহিত্যৰ ইতিহাসত

বেণীসংহাৰ নাটকখন অন্য নাটকতকৈ কিছু পৃথক। নাটকখনত কোনো বিদূষক আদিৰ চৰিত্ৰ নাই। আলংকাৰিকসকলৰ নাট্যাদৰ্শক অনুসৰণ কৰি ৰচিত হোৱা নাটকখনৰ বিভিন্ন দিশৰ লগত এই অধ্যায়টিৰ জৰিয়তে আপুনি পৰিচিত হ'ব পাৰিব। অধ্যায়টিত নাটকখনৰ চমু পৰিচয়ৰ লগতে ইয়াৰ শিৰোনামৰ তাৎপর্য, নাটকখনত ব্যৱহৃত ৰস, নাটকখনৰ নায়ক আৰু অন্যান্য চৰিত্ৰসমূহৰ লগত পৰিচিত হ'ব পাৰিব। ইয়াৰ উপৰি বেণীসংহাৰ নাটকৰ অংকসমূহৰো সাৰাংশ পঢ়িব পাৰিব।

১৪.৩ বেণীসংহাৰ নাটকখনৰ চমু আভাস

এই অধ্যায়ৰ এই অংশত আপুনি বেণীসংহাৰ নাটকখনৰ পৰিচয়, নামকৰণ, ৰস, অংকবোৰৰ সাৰাংশ আদিৰ বিষয়ে জানিব পাৰিব।

১৪.৩.১ নাটকখনৰ চমু পৰিচয়

বেণীসংহাৰ এখন ছয় অংকবিশিষ্ট পূর্ণাংগ নাটক। বেণীসংহাৰ নাটকৰ আখ্যান ভাগ মূলতঃ মহাভাৰতৰ পৰা লোৱা হৈছে। মহাভাৰতৰ উদ্যোগ, ভীষ্ম, দ্রোণ, কর্ণ আৰু শল্যপর্বৰ পৰা কাহিনীভাগ আহৰণ কৰা হৈছে। বনবাসৰ পিছত ইন্দ্রপ্রস্থলৈ উভতি অহাৰ পাছৰপৰা কুৰুক্ষেত্র যুদ্ধৰ পিছত যুধিষ্ঠিৰৰ ৰাজ্যাভিষেক পর্যন্ত এই নাটকীয় ঘটনাৰ স্থিতিকাল।

নাটকখনৰ প্রধান ৰস হ'ল বীৰৰস। আৰু প্রধান চৰিত্র ভীমসেনক ধীৰোদ্ধত শ্রেণীৰ নায়কৰূপে চিত্রিত কৰিছে। দুর্যোধনৰ ৰাজসভাত দ্যূতক্রীড়াত দ্রৌপদীক পণ হিচাবে ৰাখি যুধিষ্ঠিৰ হাৰি যায়। পণ হিচাবে লাভ কৰা দ্রৌপদীক কৰা লাঞ্ছনাৰ বাবে ভীমে প্রকাশ্যভাবে প্রতিজ্ঞা কৰিছিল যে দুঃশাসনৰ ৰক্তপান আৰু দুর্যোধনৰ উৰুভংগ কৰি সেই ৰক্তেৰে দ্রৌপদীৰ মুক্তবেণী বন্ধন কৰিব। এয়াই হ'ল নাটকৰ পূর্ববর্তী ঘটনা।

নাটকৰ আৰম্ভণিতেই শ্রীকৃষ্ণই শান্তিপ্রস্তাব লৈ যোৱাত দুর্য্যোধনে এই প্রস্তাৱ নাকচ কৰে। ভীমসেন ক্রোধিত হৈ যুদ্ধৰ বাবে উদ্যত হয়।

ইতিমধ্যে দুর্য্যোধনৰ পত্নী ভানুমতীয়ে অশুভ সপোন দেখি কৌৰৱকুলৰ বিনাশ অৱশ্যম্ভাবী বুলি প্রতিকাৰৰ ব্যৱস্থা কৰে। দুর্য্যোধন আৰু ভানুমতী বার্তালাপত নিমগ্ন হৈ থাকোতেই অভিমন্যুক বধ কৰাৰ বাবে অর্জুনে জয়দ্রথ বধ কৰিবলৈ কৰা প্রতিজ্ঞাৰ কথা জয়দ্রথৰ মাতৃয়ে দুর্য্যোধনক জনায়। কৌৰৱ পাণ্ডৱৰ তুমুল যুদ্ধত দ্রোণাচার্যৰ মৃত্যু ঘটে। ফলত পুত্র অশ্বত্থামা অত্যন্ত ক্রোধিত হয়। দুর্য্যোধনে অশ্বত্থামাক বাদ দি কর্ণক সেনাপতি পতাত অসন্তুষ্ট হয়। যুদ্ধত ভীমে দুঃশাসনকো বধ কৰিলে। কর্ণ পুত্র বৃষসেনৰ মৃত্যুৰ খবৰ পাই দুর্য্যোধন যুদ্ধ ক্ষেত্রলৈ যাবলৈ ওলোৱাত ধৃতৰাষ্ট্র আৰু গান্ধাৰীয়ে যাবলৈ বাধা কৰে। আৰু পাণ্ডৱৰে সৈতে সন্ধি কৰিবলৈ অনুৰোধ কৰে।

দুর্যোধনে সেই পৰামর্শ অগ্রাহ্য কৰিলে। ইতিমধ্যে দুর্যোধনে যুদ্ধত সম্পূর্ণৰূপে পৰাস্ত হোৱাৰ উপক্রম হোৱা দেখি এটি সৰোবৰত আত্মগোপন কৰে। যুধিষ্ঠিৰে দুর্যোধনৰ বিচাৰ কৰি থাকোতেই ভীমে দুর্যোধনক নিহত কৰাৰ সংবাদ পায়। ইতিমধ্যে ভীমসেনো সেই স্থান আহি পায়। দুর্যোধনৰ ৰক্তৰে ৰঞ্জিত হস্তেৰে দ্রৌপদীৰ বেণীবন্ধন কৰি নিজৰ প্রতিজ্ঞাপূর্ণ কৰে। অজুর্ন আৰু কৃষ্ণও সেই ঠাইত উপস্থিত হোৱাৰ পাছত নাটকখনৰ সামৰণি পৰে।



জানি থোৱা ভাল

- মহাভাৰতৰ অধ্যায় সমূহক পর্ব বুলি জনা যায়। ইয়াত মুঠ ১৮টা পর্ব আছে। সেইকেইটা হ'ল— আদি, সভা, বন, বিৰাট, উদ্যোগ, ভীষ্ম, দ্রোণ, কর্ণ, শল্য, সৌপ্তিক স্ত্রী, শান্তি, অনুশাসন, অশ্বমেধ, আশ্রমিক, মৌষল, মহাপ্রস্থানিক আৰু স্বর্গাৰোহণ পর্ব।
- সংস্কৃত নাটকত চাৰিপ্রকাৰৰ নায়কৰ কথা আলংকাৰিকসকলে উল্লেখ কৰিছে— ১) ধীৰোদাত্ত ২) ধীৰোদ্ধত ৩) ধীৰললিত ৪) ধীৰ প্রশান্তক।

১৪.৩.২ শিৰোনামৰ তাৎপর্য

ভট্টনাৰায়ণদেৱৰ বেণীসংহাৰ— নাটকখনৰ চমু পৰিচয় লাভ কৰাৰ পিছত এতিয়া আপুনি ইয়াৰ শিৰোনামৰ তাৎপর্য জানিব পাৰিব।

সংস্কৃত অলংকাৰ শাস্ত্ৰৰ নিয়ম অনুসৰি নাটকৰ শিৰোনাম সদায় তাৎপর্যপূর্ণ হ'ব লাগে। লগতে নাটকীয় মূলঘটনাৰো সূচক হোৱা উচিত। 'বেণ্যাঃ সংহাৰঃ'। এই ব্যাখ্যা মতে বেণীহেতুনা সংহাৰঃ অর্থপ্রাপ্তি হয়। অর্থাৎ 'বেণীৰ বাবেই সংহাৰ' এই ব্যাখ্যাই 'বেণীসংহাৰ' নাটকৰ মুখ্য প্রয়োজনৰ সফলতা প্রমাণ কৰে। 'বেণীৰ সংহাৰ' অর্থাৎ সম্বৰণ বা বন্ধন এই অর্থ গ্রহণ কৰিলে, যি দুর্যোধনে দ্রৌপদীক বলপূর্বকভাৱে বেণীত ধৰি টানি আনিছিল। সেই দুর্যোধনৰ নাশ অর্থাৎ যি নাটকৰ প্রতিপাদ্য বিষয়, সেয়াই বেণীসংহাৰ নাটক। এই ব্যাখ্যাৰ দ্বাৰাও নাটকৰ নামকৰণৰ সার্থকতা প্রমাণিত হয়। কূটিলহৃদয়ৰ দুর্যোধনে ছলনাৰে পাশা খেলত পাণ্ডৱসকলক হৰুৱাই দ্রৌপদীকো পণ হিচাবে গ্রহণ কৰে। সম্পূর্ণৰূপে পৰাজিত হোৱাত দুঃশাসনে দ্রৌপদীক দুর্যোধনৰ আজ্ঞাত ৰাজসভালৈ বেণীত ধৰি টানি আনি অপমানিত কৰে। এনে অমানৱীয় ব্যৱহাৰত দ্রৌপদীৰ দ্বিতীয় স্বামী মহাবলী ভীমসেনে কৌৰৱকুল ধ্বংসৰ আৰু দুঃশাসনৰ ৰক্তেৰে দ্রৌপদীৰে বেণীবন্ধন কৰিব বুলি প্রতিজ্ঞা কৰিলে। অন্যথা দ্রৌপদীৰ কেশ বিমুক্ত হৈ থাকিব বুলি ঘোষণা কৰিলে। ভীমৰ এই প্রতিজ্ঞাৰ প্রভাৱ সমস্ত নাটকখনতেই দেখিবলৈ পোৱা যায়। কৌৰৱৰ বিনাশতেই নাটকৰ লক্ষ্য। শেষত ভীমসেনে নিজৰ প্রতিজ্ঞা

দুঃশাসনৰ ৰক্তেৰে দ্ৰৌপদীৰ কেশবন্ধন কৰি পূৰণ কৰিছিল। সেয়েহে ভট্টনাৰায়ণ বিৰচিত বেণীসংহাৰ নাটকৰ নামকৰণ যথোপযুক্ত হৈছে।

১৪.৩.৩ নাটকখনৰ ৰস

অলংকাৰশাস্ত্ৰৰ নিয়ম অনুসৰি কাব্য হিচাবে নাটকো ৰসযুক্ত হোৱা উচিত। নাটকত ঘাইকৈ শৃংগাৰ অথবা বীৰৰস থাকিব লাগে। বাকী ৰসসমূহো গৌণভাৱে নাটকত থাকিব।

বীৰৰস প্ৰধান নাটকসমূহৰ ভিতৰত ভট্টনাৰায়ণ বিৰচিত বেণীসংহাৰ নাটকখন প্ৰধান। নাটকখনত থকা ওজঃ গুণো বীৰৰসোদ্দীপক আৰু দীৰ্ঘসমাসযুক্ত গৌড়ীৰীতিও বীৰৰসৰেই অনুকূল। বীভৎস, কৰুণ, শৃংগাৰ আদি ৰসো অঙ্গৰস হিচাবে অংকিত হৈছে। প্ৰসাদ গুণযুক্ত বৈদৰ্ভী আৰু পাঞ্চালী ৰীতিয়ে নাটকত দৰ্শকৰ উৎসাহ বৃদ্ধিত সহায়ক হৈছে। ভীমৰ বীৰোচিত গৰ্বোক্তিয়েও বীৰৰসৰ সৃষ্টি হোৱাত সহায়ক হৈছে।

মথ্নামি কৌৰৱহাতং সমৰে ন কোপাদ্
দুঃশাসনস্য ৰুধিৰং ন পিবাম্যুৰস্তঃ।
সংচূৰ্ণয়ামি গদয়া ন সুযোধনৰ্ক্ষং
সন্ধিং কৰোতু ভবতা নৃপতিঃ পণেন।

বেনীসংহাৰ ১/১৫

মহাভাৰতত বৰ্ণিত কৌৰৱ পাণ্ডৱৰ যুদ্ধই নাটকখনৰ মূল বিষয়বস্তু। ভীমসেনৰ দুৰ্যোধনৰ উৰুভংগৰ আৰু দ্ৰৌপদীৰ কেশ দুঃশাসনৰ ৰক্তেৰে ৰঞ্জিত কৰাৰ প্ৰতিজ্ঞাই নাটকখনৰ বীজ। শেষত ভীমসেনে এই প্ৰতিজ্ঞা পূৰণ কৰি নায়কৰ জয়ৰ কথা সূচনা কৰিছে। সমগ্ৰ নাটকখনতে ভীমসেনৰ বীৰত্বপূৰ্ণ উক্তি দেখিবলৈ পোৱা যায়। অকল ভীমেই নহয়, কৰ্ণ আৰু অশ্বত্থামাৰ বীৰত্ব প্ৰকাশক উক্তি নাটকখনত আছে। উদাহৰণস্বৰূপে—

সুতো বা সুতপুত্ৰো বা যো বা কো বা ভবাম্যহম্।
দৈবায়ত্তং কুলে জন্ম মদায়ত্তং তু পৌৰুষম্।। ৩/৩৭।।

ওপৰোক্ত শ্লোকফাঁকিয়ে সঁচাকৈয়ে কৰ্ণৰ বীৰত্ব প্ৰকাশ কৰিছে।

কিছুমান সমালোচকে তৃতীয় আৰু ষষ্ঠ অংকত কৰুণ ৰসক প্ৰধান ৰস বুলি স্বীকৃতি দিয়ে। তৃতীয় অংকত অশ্বত্থামাৰ বিলাপ আৰু ষষ্ঠ অংকত ভীমসেনৰ মৃত্যু আৰু দ্ৰৌপদীৰ ক্ৰন্দনত কৰুণ ৰস দেখিবলৈ পোৱা গ'লেও গোটেই নাটকখনক কৰুণ ৰসাত্মক বুলি স্বীকৃতি দিব নোৱাৰি। তাৰোপৰি দ্ৰৌপদীৰ কাৰুণ্যই ভীমসেনৰ বীৰত্ববৰ্ধনতহে নাটকখনত সহায়কাৰী হৈছে। সেয়েহে, আন ৰসসমূহ যেনে তৃতীয় অংকৰ অশ্বত্থামাৰ বিলাপত কৰুণ ৰস, দ্বিতীয় অংকৰ শৃংগাৰ ৰস আৰু তৃতীয় অংকৰ প্ৰৱেশকৰ বীভৎস ৰস গৌণৰস ৰূপে পৰিগণিত হৈছে। নাট্যশাস্ত্ৰৰ নিয়মসমূহেও ইয়াকেই

সমর্থন কৰে। (এক এব ভবেদঙ্গী শৃংগাৰো বীৰ এব বা/অঙ্গমন্যে ৰসাঃ সর্বে কার্যং নির্বহনেৎদ্ভূতম্/সাহিত্যদর্পণ, ষষ্ঠ অধ্যায়)

নাটকীয় মুখ্যপাত্র যুধিষ্ঠিৰৰ দৃষ্টিকোণৰ পৰা লক্ষ্য কৰিলেও কৰুণৰস বেণীসংহাৰ নাটকখনত কেতিয়াও মুখ্যৰস হ'ব নোৱাৰে। যথেষ্ট বীৰত্বৰ প্রদর্শন কৰি শত্রুক পৰাজিত কৰি সিংহাসনত আৰোহণ কৰা যুধিষ্ঠিৰৰ চৰিত্র কেতিয়াও কৰুণ ৰসৰ প্রতিভূ হ'ব নোৱাৰে। সেয়েহে সকলোফালৰ পৰা বিচাৰ কৰিলে বীৰৰসেই নাটকখনত মুখ্যৰসৰ মর্যাদা পাইছে বুলি ক'ব পাৰি।



জানি থোৱা ভাল

সংস্কৃত অলংকাৰ শাস্ত্রৰ মতে নাটকত নায়ক নায়িকাৰ সুখ দুখৰ বর্ণনা থকা উচিত। সেয়েহে নাটক শৃংগাৰ কৰুণ প্রভৃতি নানা ৰসাশ্রয়ী। তথাপিও শৃংগাৰ, বীৰ বা শান্তৰসৰ যিকোনো এটা ৰসহে নাটকৰ অঙ্গীৰস। অন্যৰসসমূহ অঙ্গ বা অপ্রধানৰসৰূপে বিভিন্ন ঘটনা প্রবাহৰ মাজত চিত্রিত হ'ব। কিন্তু নির্বহণ বা উপসংহাৰত অদ্ভূতৰস উপস্থাপিত হ'ব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ বেণীসংহাৰ নাটকখনত কেইটা অংক আছে।

.....

প্রশ্ন নং ২ঃ বেণীসংহাৰ নাটকখনৰ উৎস কি?

.....

প্রশ্ন নং ৩ঃ বেণীসংহাৰ নাটকখনত মুখ্য ৰস কি?

.....

১৪.৩.৪ নাটকখনৰ নায়ক

সংস্কৃত নাট্যশাস্ত্রৰ নিয়ম অনুসৰি নাটক এখনৰ নায়ক প্রখ্যাত বংশজাত, ৰাজর্ষি আৰু ধীৰোদাত্ত গুণসম্পন্ন হোৱা উচিত।

বেণীসংহাৰ নাটকখনত তিনিটা প্রধান চৰিত্রই নাটকখনৰ নায়ক হিচাবে অপ্রতিদ্বন্দ্বীৰূপে উপস্থাপিতহৈছে। দুর্যোধন, যুধিষ্ঠিৰ আৰু ভীমসেন। মহাভাৰতক আশ্রয় কৰি ৰচিত হোৱা এখন নাটকত এই চৰিত্রকেইটিয়েই প্রধান হোৱাটো স্বাভাৰিক। তাৰোপৰি ভট্টনাৰায়ণৰ নাটকীয় কাহিনী উপস্থাপনত তিনিওটা চৰিত্রই প্রাধান্য পোৱাত নাটকৰ নায়ক নির্ণয় কৰাটো কঠিন হৈ পৰিছে।

যদি সকলোতকৈ আকর্ষণীয় চৰিত্রটিক নায়ক হিচাবে গ্রহণ কৰা হয় তেন্তে

দুর্যোধনো নাটকখনৰ নায়ক হোৱাৰ যোগ্যতা আছে। কাৰণ দ্বিতীয় অংকৰ পৰা শেষৰ অংকলৈকে দুর্যোধনৰ চৰিত্রটিৰ উপস্থিতি পৰিলক্ষিত হয়। দ্বিতীয়, চতুর্থ আৰু পঞ্চম অংকত দুর্যোধনেই মূল চৰিত্র হিচাবেই অংকিত হৈছে। ষষ্ঠ অংকত উপস্থিত নাথাকিলেও, কার্যকলাপসমূহৰ দ্বাৰা দুর্যোধনৰ উৎকৃষ্ট চাৰিত্রিক বৈশিষ্ট্য নাট্যকাৰে পৰিস্ফুট কৰিছে। চৰিত্র চিত্রনৰ ফালৰ পৰা দুর্যোধনৰ চৰিত্রটো নাট্যকাৰে অত্যন্ত যত্নসহকাৰে চিত্রিত কৰিছে। দুর্যোধন নায়কোচিত সকলো গুণৰ অধিকাৰী হ'লেও নাটকৰ মূল ঘটনা দ্রৌপদীৰ কেশবন্ধনৰ লগত কোনো সম্পর্ক নাই। সেয়েহে দুর্যোধনৰ চৰিত্রটি নায়ক হিচাবে গ্রহণ কৰিব নোৱাৰি।

বহু টীকাকাৰ আৰু আলংকাৰিকসকলে যুধিষ্ঠিৰৰ চৰিত্রটো নায়ক হিচাবে গ্রহণ কৰিছে। নাটকখনৰ বিষয়বস্তুৰ ফালৰ পৰা চালে জয়ীপক্ষৰ নেতা হিচাবে যুধিষ্ঠিৰক নায়ক হিচাবে গ্রহণ কৰাৰ থল আছে। তাৰোপৰি ষষ্ঠ অংকত যুধিষ্ঠিৰৰ চৰিত্রটি নাট্যকাৰে এনেদৰে অংকন কৰিছে যে যুধিষ্ঠিৰেই যেন প্রকৃত নায়ক। তাৰোপৰি নাটকখনৰ ভৰতবাক্যও যুধিষ্ঠিৰেই পাঠ কৰিছে। কিন্তু চৰিত্রটিৰ চিত্রন মুঠেও আকর্ষণীয় নহয়। তাৰোপৰি নাটকখনৰ মূল কাহিনী দ্রৌপদীৰ কেশবন্ধনৰ লগত চৰিত্রটি মুঠেও সংযোজিত কৰিব নোৱাৰি। তাৰোপৰি পাণ্ডবকুলৰ জ্যেষ্ঠ হিচাবে যুধিষ্ঠিৰেই ভৰতবাক্য পাঠ কৰাটো স্বাভাৱিক। নাটকৰ নায়কোচিত ধীৰোদাত্ত গুণসমূহৰো যুধিষ্ঠিৰৰ চৰিত্রত অভাৰ দেখিবলৈ পোৱা যায়।

অন্যহাতেদি আলংকাৰিকসকলৰ প্রবল সমালোচনা সত্বেও নাটকখনত ভীমৰ কার্যকলাপে ভীমকেই নায়কৰূপে প্রতিষ্ঠিত কৰাইছে। সমস্ত নাটকীয় ঘটনা প্রবাহৰ চালিকাশক্তি হ'ল ভীমসেন। ভীমসেনৰ দুঃশাসন আৰু দুর্যোধনৰ বধৰ প্রতিজ্ঞা আৰু দ্রৌপদীৰ কেশবন্ধনৰ প্রতিজ্ঞা এই ঘটনাৰ পৰাই নাটকখনৰ নামকৰণ কৰা হৈছে বুলি ক'ব পাৰি। নাট্যকাৰৰ প্রচেষ্টাও ভীমসেনৰ চৰিত্রটি উপস্থাপন কৰাত একত্রিত হৈছে যেন বোধ হয়। নাটকখনৰ প্রত্যেকটো অংকই ভীমৰ চৰিত্রটিক কেন্দ্র কৰি ঘটনাভাগ আগবাঢ়িছে। আনকি দুর্যোধন আৰু ভানুমতীৰ প্রাধান্য থকা দ্বিতীয় অংকটোতো ভীমৰ প্রসংগ নোহোৱাকৈ থকা নাই। নাটকৰ আদিৰ পৰা অন্তলৈকে ভীমৰ প্রতিজ্ঞাৰ কথাই দর্শকক অৱগত কৰায়। এই সকলোবোৰ কথা বিচাৰ কৰি চালে ভীমকেই নাটকখনৰ প্রকৃত নায়ক বুলি ক'ব পাৰি। তথাপিও এইটো স্মৰণীয় যে ভীমৰ চৰিত্রটি দুর্যোধনৰ চৰিত্রটিৰ দৰে আকর্ষণীয় নহয় নাইবা যুধিষ্ঠিৰৰ চৰিত্রটিৰ দৰে দোষহীন নহয়। ধীৰোদাত্ত গুণযুক্ত যুধিষ্ঠিৰক নাটকখনৰ নায়কৰ আসনত অধিষ্ঠিত নকৰিলেও অলংকাৰশাস্ত্রমতে দোষ হয়। সেয়েহে ভীমক নায়কৰূপে স্বীকৃতি দিয়াত অসুবিধাও পৰিলক্ষিত হয়। ইয়াতেই নাট্যকাৰৰ দুর্বল দিশ পৰিলক্ষিত হৈছে।

১৪.৪ বেণীসংহাৰ নাটকৰ অংকসমূহৰ সাৰাংশ

এতিয়া আপুনি বেণীসংহাৰ নাটকৰ প্ৰত্যেক অংকৰ সাৰাংশসমূহ পঢ়িবলৈ পাব।

প্ৰথম অংক ঃ চাৰিটা শ্লোকত নান্দী পাঠৰ পাছত সূত্ৰধাৰে মহাভাৰতৰ ৰচক বেদব্যাসক নমন কৰি দূতৰূপে কৃষ্ণৰ প্ৰৱেশৰ কথা প্ৰকাশ কৰে। কুৰু পাণ্ডৱৰ মাজত সন্ধিৰ কথা শুনি ভীম অত্যন্ত ক্ৰোধিত হোৱাত সহদেৱে শান্ত কৰাৰ চেষ্টা ব্যৰ্থ হয়। যুধিষ্ঠিৰে যুদ্ধ নকৰাৰ আদেশ দিলেও, ভীমে সেই আদেশ উপেক্ষা কৰি অস্ত্ৰাগাৰৰ উদ্দেশ্যে যাত্ৰা কৰিলেও ভুলক্ৰমে দ্ৰৌপদীৰ সমুখত উপস্থিত হয়। ভানুমতীয়ে দ্ৰৌপদীক বিদ্ৰূপ কৰা বুলি জানি ভীমসেন অধিক উত্তেজিত হয় আৰু দুৰ্যোধনৰ উৰুভংগৰ প্ৰতিজ্ঞা কৰি, ৰক্তাক্ত হাতেৰে দ্ৰৌপদীৰ কেশবন্ধন কৰিব বুলি কয়। তেনেকুৱা সময়তে যুধিষ্ঠিৰে দিয়া সন্ধিৰ প্ৰস্তাৱ দুৰ্যোধনে নামঞ্জুৰ কৰে আৰু যুধিষ্ঠিৰে কৌৱৱৰ বিপক্ষে যুদ্ধ ঘোষণা কৰে। এই সংবাদ লাভ কৰাত ভীমসেন অত্যন্ত আনন্দিত হৈ যুদ্ধভূমিলৈ অগ্ৰসৰ হয়।

দ্বিতীয় অংক ঃ দ্বিতীয় অংকত দুৰ্যোধনৰ পত্নী ভানুমতীয়ে এটা নেউলে এশটা সাপ নিধন কৰাৰ এটি দুঃস্বপ্ন দেখে। ইয়াৰ দ্বাৰা পাণ্ডৱৰ হাতত এশ কৌৱৱৰ নিধন সূচাইছে বুলি ভানুমতী বিচলিত হয়। দুঃস্বপ্ন প্ৰশমনৰ বাবে সূৰ্যপূজা কৰি দুৰ্যোধনে ভানুমতীক সান্ত্বনা দিয়াৰ যত্ন কৰিলে। দুৰ্যোধনে ভানুমতীৰ লগত বাৰ্তালাপত মত্ত হৈ থাকোতে জয়দ্ৰথৰ মাতৃয়ে অভিমন্যু বধৰ বাবে অৰ্জুনে জয়দ্ৰথৰ ওপৰত প্ৰতিশোধ ল'বলৈ কৰা প্ৰতিজ্ঞাৰ কথা স্মৰণ কৰি পুত্ৰৰ প্ৰাণৰক্ষাৰ বাবে অনুৰোধ কৰে। দুৰ্যোধনে তেওঁলোকক অভয় দান দি যুদ্ধলৈ যাত্ৰা কৰিলে।

তৃতীয় অংক ঃ তৃতীয় অংকত যুদ্ধৰ বৰ্ণনাই ঘাইকৈ প্ৰাধান্য পাইছে। ধৃষ্টদ্যুম্নই তৰোৱালেৰে দ্ৰোণাচাৰ্যৰ শিৰচ্ছেদ কৰে। দ্ৰোণৰ সাৰথি অশ্বসেনৰ পৰা পিতৃবধৰ বাতৰি পাই অশ্বত্থামা শোকত অধীৰ হৈ অস্ত্যত্যাগ কৰিলে। মোমায়েক কৃপাচাৰ্যই বুজনি দি দুৰ্যোধনক তেওঁকেই সেনাপতি পাতিবলৈ দিলে যাতে পিতৃবধৰ প্ৰতিশোধ ল'ব পাৰে। কিন্তু ইতিমধ্যেই কৰ্ণক সেনাপতি নিযুক্তি দিয়া বাবে অশ্বত্থামা অসন্তুষ্ট হ'ল। তথাপিও ভীমৰ হাতত দুঃশাসন বিপন্ন হোৱাৰ খবৰ পাই ৰক্ষা কৰিবলৈ যায় যদিও, দুঃশাসনৰ ইতিমধ্যে মৃত্যু ঘটে।

চতুৰ্থ অংক ঃ অস্ত্ৰৰ প্ৰহাৰত যুদ্ধক্ষেত্ৰত দুৰ্যোধনে জ্ঞান হেৰুওৱাত সাৰথিয়ে অন্য ঠাইলৈ লৈ গ'ল। জ্ঞান প্ৰাপ্ত হোৱাত সাৰথিৰ মুখত দুঃশাসনৰ মৃত্যু সংবাদ শুনি দুখ কৰি থাকোতেই কৰ্ণৰ সাৰথি আহি অৰ্জুনৰ লগত যুদ্ধত কৰ্ণপুত্ৰ বৃষসেনৰ মৃত্যুৰ খবৰ দিয়ে। লগতে কৰ্ণই পঠোৱা চিঠি এখনো দুৰ্যোধনৰ হাতত দিয়ে। দুৰ্যোধনে কৰ্ণক সহায় কৰিবলৈ যুদ্ধ ক্ষেত্ৰলৈ যাবলৈ ওলোৱাত পিতৃ ধৃতৰাষ্ট্ৰ আৰু মাতৃ গান্ধাৰীয়ে হকা বধা কৰে।

পঞ্চম অংক ঃ পঞ্চম অংকত ধৃতৰাষ্ট্ৰ আৰু গান্ধাৰীয়ে দুৰ্যোধনক পাণ্ডৱৰ সৈতে সন্ধি কৰিবলৈ পৰামৰ্শ দিলে। দুৰ্যোধনে সেই পৰামৰ্শ অগ্ৰাহ্য কৰিলে। ইতিমধ্যে যুদ্ধত কৰ্ণ নিহত হয়। ভীম আৰু অৰ্জুনে দুৰ্যোধনক বিচাৰি সেই স্থানত উপস্থিত হ'ল। দুৰ্যোধন আৰু ভীমৰ মাজত ভীষণ বাক্‌যুদ্ধ আৰম্ভ হয়। যুধিষ্ঠিৰৰ হস্তক্ষেপত বাক্‌যুদ্ধ অন্ত পৰাত তেওঁলোকে সেই স্থান পৰিত্যাগ কৰিলে। তেনে সময়তে অশ্বত্থামা সেনাপতি হোৱাৰ মানসেৰে সেই ঠাইত উপস্থিত

হ'ল। কিন্তু দুর্যোধনৰ কটু কথাৰ বাবে পুনৰ প্ৰস্থান কৰিলে।

ষষ্ঠ অংক ঃ ষষ্ঠ অংকত শল্যৰ মৃত্যুৰ বিষয়ে জনা যায়। ভীমে দুর্যোধনৰ উৰুভংগ কৰাৰ অন্যথা প্ৰাণ আহুতি দিয়াৰ ভীষণ প্ৰতিজ্ঞাৰ কথা শুনি বিতত হৈ এটা সৰোবৰৰ পানীত লুকায়। ভীমৰ অপমানসূচক কথা শুনি দুর্যোধন পানীৰ পৰা ওলাই গদা যুদ্ধত লিপ্ত হ'ল। দুর্যোধনৰ বন্ধু ৰাক্ষস চার্বাকে ছদ্মবেশত যুধিষ্ঠিৰক জনালে যে গদাযুদ্ধত ভীম আৰু অর্জুন নিহত হৈছে। এই বার্তা শুনি যুধিষ্ঠিৰ আৰু দ্ৰৌপদী শোকাভিভূত হৈ প্ৰাণত্যাগ কৰিবলৈ ওলায়। সেই সময়তে দুর্যোধনৰ ৰক্তেৰে ৰক্তাপ্লুত ভীম সেই স্থানত প্ৰৰেশ কৰি ৰক্তাক্ত হাতেৰে দ্ৰৌপদীৰ কেশবন্ধন কৰে। তাৰ পিছত তালৈ অর্জুন আৰু শ্ৰীকৃষ্ণৰ আগমন হয়। **ভৰতবাক্য** পাঠৰ পাছত নাটকৰ পৰিসমাপ্তি ঘটে।



ভৰত বাক্য নাটকৰ সমাপ্তিত নায়কে পাঠ কৰা মঙ্গল সূচক শ্লোক।

১৪.৫ নাটকৰ প্ৰধান চৰিত্ৰসমূহৰ পৰিচয়

নাটকৰ অংকসমূহৰ সাৰাংশ অধ্যয়ন কৰাৰ পিছত আপুনি এতিয়া প্ৰধান চৰিত্ৰসমূহৰ বিষয়ে জানিব পাৰিব। নাটকখনত নাটকীয় পাত্ৰসমূহৰ চৰিত্ৰৰ বিকাশ প্ৰতিদ্বন্দ্বী চৰিত্ৰসমূহৰ লগত হোৱা বিৰোধ আৰু সংঘর্ষতহে পূর্ণৰূপত পৰিস্ফুত হৈছে। ভীম আৰু দুর্যোধন, কর্ণ আৰু অশ্বত্থামা, দ্ৰৌপদী আৰু ভানুমতী, ধৃতৰাষ্ট্ৰ আৰু যুধিষ্ঠিৰ চৰিত্ৰসমূহ পৰস্পৰ বিৰোধী আৰু ভিন্ন। নাট্যকাৰৰ চৰিত্ৰ উপস্থাপনৰ এই প্ৰয়াস অন্য নাটকত বৰকৈ দেখিবলৈ পোৱা নাযায়।

ভীমসেন ঃ এই নাটকৰ ধীৰোদ্ধত নায়ক মহাবলী ভীমসেন শাৰীৰিকভাৱে যিমান শক্তিশালী মানসিকভাবেও দৃঢ়তাৰ সাক্ষাৎ প্ৰতিমূর্তিস্বৰূপ। কৌৰৱৰ বিশাল সেনাবাহিনীও অকলেই সংহাৰৰ বাবে সমর্থ। শৈশৱকালৰ পৰাই কৌৰৱসকলক নিজৰ শত্ৰুৰূপে গণ্য কৰিছিল (প্ৰবৃদ্ধং সদ বৈৰং মম খলু শিশোৰিব কুৰুডিঃ। বেণীসংহাৰ ১/১০) সেয়েহে যুধিষ্ঠিৰৰ সন্ধিপ্ৰস্তাৱত ভীমসেন মান্তি হোৱা নাছিল। দ্ৰৌপদীৰ অপমানৰ অনলত দগ্ধ হৈ ভীমে সেইবাবে দৃঢ়তাৰে ঘোষণা কৰিছিল যে যদি ভীম জীয়াই থাকে ধৃতৰাষ্ট্ৰৰ পুত্ৰসকল জীয়াই নাথাকিব। (স্বস্থাঃ ভবন্তু ময়ি জীবতি ধার্তৰাষ্ট্ৰাঃ বেণীসংহাৰ ১/৪)। এশ কৌৰৱৰ বিনাশ কৰি, দুঃশাসনৰ বক্ষস্থলৰ ৰক্তপান কৰি, গদাৰে দুর্যোধনৰ জঙ্ঘাচূর্ণ কৰাৰ পণ লৈছিল। লগতে তাৰ ৰক্তেৰে দ্ৰৌপদীৰ উন্মুক্ত বেণীৰ সম্ভৰণ কৰিছিল।

ভীমসেন ভগৱান শ্ৰীকৃষ্ণৰ প্ৰতিও শ্ৰদ্ধাশীল আছিল। সন্ধিস্থাপনৰ বাবে কৃষ্ণৰ দুর্যোধনৰ ওচৰলৈ গমন, সন্ধিস্থাপনত বিফলতা আৰু কৃষ্ণক নিজৰ ফলীয়া কৰাৰ দুর্যোধনৰ প্ৰচেষ্টাক ভীমে ভৎর্সনা কৰিছিল। ভীম, বীৰ আৰু শত্ৰুসংহাৰক্ষম হ'লেও অত্যন্ত শালীন আছিল। ক্ৰোধৰ আবেশত প্ৰথম অংকত দ্ৰৌপদীক ভীমসেনে লক্ষ্য নকৰাৰ বাবে পশ্চাত্তাপ কৰিছিল। পঞ্চমাংকত ক্ৰুদ্ধ ভীমৰ গান্ধাৰী আৰু ধৃতৰাষ্ট্ৰৰ প্ৰতি কৰা আচৰণত ধৈর্য্য আৰু শালীনতাৰ পৰিচয় পোৱা যায়। পুত্ৰ শোকপীড়িত তেখেতসকলক নিজেই অভিবাদন জনাইছিল। সর্বশেষত ষষ্ঠ অংকত কৌৰৱকুলত ধ্বংসত দৃঢ়প্ৰতিজ্ঞ ভীমে সেই কথা যুধিষ্ঠিৰৰ সমুখত ঘোষণা কৰিছিল।

এইদৰে ভীমসেন ক্ৰোধী, মহাবীৰ, দৃঢ়প্ৰতিজ্ঞ, মাতাপিতা-গুৰুভক্ত, কৃষ্ণভক্ত, উদ্ধত

প্ৰকৃতিৰ নায়ক আছিল।

দুৰ্যোধন ঃ ধৃতৰাষ্ট্ৰৰ জ্যেষ্ঠ পুত্ৰ দুৰ্যোধন বেণীসংহাৰ নাটকখনৰ প্ৰতিনায়ক। অহংকাৰ, স্বাৰ্থপৰতা, বিলাসিতা আদি বদগুণৰ সমাবেশ দুৰ্যোধনৰ চৰিত্ৰটিত দেখিবলৈ পোৱা যায়। নিজৰ তুলনাত সমস্ত জগতখনক তৃণযেন গণ্য কৰিছিল। উগ্ৰস্বভাৱৰ দুৰ্যোধনৰ নিজৰ সৈন্য আৰু ভ্ৰাতৃসকলৰ ওপৰত অগাধ বিশ্বাস আছিল। সেয়েহে নিজৰ বিজয়ৰ ওপৰত গভীৰ আস্থা আছিল। আত্মগৰ্বৰ বাবেই পাণ্ডবপক্ষৰ পৰা সন্ধিপ্ৰস্তাৱ লৈ অহা ভগবান শ্ৰীকৃষ্ণকো অৱমাননা কৰিছিল।

দুৰ্যোধন অত্যন্ত্য দৃঢ়চিত্তৰো আছিল। সেয়েহে নিজৰ পক্ষৰ শ্ৰেষ্ঠ ধনুধৰ ভীষ্ম, দ্ৰোণ, কৰ্ণ আদি সকলৰ যুদ্ধত প্ৰাণ নাশ হ'লেও নিজৰ পথৰ বিচলিত হোৱা নাছিল। গুৰু দ্ৰোণৰ যুদ্ধত মৃত্যু ঘটিলেও, ভগ্নীপতি জয়দ্ৰথক যুদ্ধত নিহত কৰাৰ অৰ্জুনৰ প্ৰতিজ্ঞাৰ কথা শুনিলেও দুৰ্যোধনে এই বিষয়ে একো চিন্তা কৰা নাছিল। প্ৰতিদিনেই সৈন্যবল ক্ষয় হোৱা সত্বেও বিলাসিতাৰ আসক্ত দুৰ্যোধন আমোদ-প্ৰমোদত মত্ত আছিল।

শাসক হিচাবে দুৰ্যোধন বিবেকহীন আছিল। বিবেকহীনতাৰ বাবেই এটাৰ পিছত এটাকৈ অঘটন আহি দুৰ্যোধনৰ সমুখত উপস্থিত হৈছিল। দ্ৰোণাচাৰ্য্যৰ যুদ্ধত মৃত্যুৰ পাছত অশ্বত্থামাই সেনাপতি পদত থাকি পাণ্ডৱৰ বিনাশ কৰিবলৈ উদগ্ৰীৱ হৈছিল। কিন্তু কৰ্ণক সেনাপতি পাতিবলৈ খুজি অশ্বত্থামাৰ প্ৰস্তাৱ অগ্ৰাহ্য কৰিছিল। কৰ্ণৰো যুদ্ধত মৃত্যু ঘটিল। আৰু দুৰ্যোধনৰো বিনাশ উপস্থিত হ'ল।

অনেক দোষযুক্ত হ'লেও দুৰ্যোধন সুস্থিৰচিত্তৰ আৰু দয়ালু আছিল। যুধিষ্ঠিৰৰ দৰেই দুৰ্যোধনো নিজৰ ভ্ৰাতৃসকলৰ প্ৰতি অত্যন্ত স্নেহশীল আছিল। মিত্ৰতা আচৰণতো দুৰ্যোধন সকলোতকৈ আগৰণুৱা আছিল। পঞ্চম অংকত ধৃতৰাষ্ট্ৰ, গান্ধাৰী তথা সঞ্জয়ৰ লগত হোৱা বাৰ্তালাপৰ পৰা দুৰ্যোধনৰ বীৰতা আৰু ৰাজনীতিৰ জ্ঞান থকাৰ প্ৰমাণ পোৱা যায়।

যুধিষ্ঠিৰ ঃ মহাভাৰতত চিত্ৰিত যুধিষ্ঠিৰক অনুসৰণ কৰিয়েই 'বেণীসংহাৰ' নাটকৰ যুধিষ্ঠিৰৰ চৰিত্ৰটি অংকিত কৰা হৈছে। যুধিষ্ঠিৰ শান্তস্বভাৱৰ, ন্যায়শীল আৰু সত্যবাদী। তেওঁ ভ্ৰাতৃসকলৰ প্ৰতি পৰম স্নেহশীল। এজনো ভ্ৰাতৃৰ মৃত্যুত তেওঁ নিজৰ মৃত্যু কামনা কৰে। কৌৰৱ আৰু পাণ্ডৱসকলৰ মাজত সন্ধিস্থাপনৰ বাবে তেওঁ সদায় তৎপৰ আছিল। সন্তুষ্টশীল যুধিষ্ঠিৰৰ বাবে যুদ্ধত বান্ধৱসকলক হেৰুওৱাতকৈ বিনা ৰাজ্যৰে থকাও শ্ৰেয়। যদিও যুধিষ্ঠিৰৰ ব্যক্তিত্ব সমাজৰ বাবে অনুকৰণীয়, তথাপিও এনে চৰিত্ৰ ক্ষত্ৰিয়জনোচিত নহয়। যুদ্ধৰ গভীৰ পৰিণামৰ কথা ভাবি যুধিষ্ঠিৰে ভীম আৰু অৰ্জুনকো দুৰ্যোধনৰ দুষ্কৰ্ম সহ্য কৰি যুদ্ধৰ পৰা নিবৃত্ত কৰাইছিল। ষষ্ঠ অংকত দুৰ্যোধনৰ মিত্ৰ ৰাক্ষসে ভীম দুৰ্যোধনৰ লগত গদাযুদ্ধত নিহত হোৱা বুলি মিছাকৈয়ে জনোৱাত বিতত হৈ পৰিছিল। অত্যন্ত দুঃখিত হৈ নিজেও প্ৰাণ বিসৰ্জনৰ বাবে উদ্যত হৈছিল। ইয়াৰ দ্বাৰা যুধিষ্ঠিৰৰ চিত্তৰ অস্থিৰতা, অবিবেকিতা প্ৰকাশ পাইছে। ভগবান শ্ৰীকৃষ্ণৰ প্ৰতি যুধিষ্ঠিৰৰ অটল ভক্তি আছিল।

ওপৰৰ আলোচনাখিনিৰ পৰা এই কথা পৰিস্ফুট হয় যে কিছুমান আলংকাৰিকে যুধিষ্ঠিৰক নায়কৰ স্থান দিবলৈ কৰা প্ৰয়াস মুঠেও গ্ৰহণযোগ্য নহয় যেন অনুভৱ হয়।

অশ্বত্থামা ঃ অশ্বত্থামা আচার্য দ্রোণৰ পুত্র। ধনুর্ধৰ পিতৃৰ ধনুর্ধৰ পুত্র আছিল। অশ্বত্থামাৰ পুত্র হিচাবে পিতৃৰ ওপৰত অগাধ বিশ্বাস আছিল। অশ্বত্থামা পিতৃৰ প্রতি ইমান শ্রদ্ধাশীল আছিল যে পিতৃ অবিহনে ক্ষণৰ বাবে জীৱিত থকা সম্ভৱপৰ নাছিল। পিতৃৰ মৃত্যুৰ পিছত পুনৰ পিতৃক লগ পাবলৈ দেহত্যাগ কৰিবলৈ তৎপৰ হৈছিল। কিন্তু কৃপাচার্য্যৰ বুজনিত পিতৃশত্রুৰ ওপৰত প্রতিশোধ ল'বলৈ জীৱিত থকাৰ সিদ্ধান্ত লয়। কিন্তু দুর্যোধনৰ কর্ণৰ প্রতি পক্ষপাতিত্বৰ বাবে পুনৰ অস্ত্রত্যাগ কৰিবলৈ বাধ্য হৈছিল।

অশ্বত্থামাৰ কর্তব্যনিষ্ঠাও প্রশংসনীয়। দুর্যোধনে অপমান কৰা সত্বেও অশ্বত্থামাই দুর্যোধনৰ সদায় হিতাকাংক্ষী আছিল। কর্ণৰ মৃত্যুৰ পিছত কৌৰৱসৈন্যৰ সেনাপতিৰ ভাৰ গ্রহণ কৰাত ধৃতৰাষ্ট্র আৰু গান্ধাৰী অত্যন্ত প্রসন্ন হৈছিল। কিন্তু কপট দুর্যোধনে কোনো দিনেই স্বীকৃতি নিদিলে। এই মনোকষ্টৰ বাবেই অশ্বত্থামা চিৰদিনৰ বাবে হস্তিনাপুৰ ত্যাগ কৰিছিল।

অশ্বত্থামাৰ বীৰত্বও কৌৰৱ বীৰসকলৰ ভিতৰত শ্রেষ্ঠ। পৰশুৰাম, ভীষ্ম, দ্রোণ আদি বীৰ যোদ্ধাসকলৰ সমপর্যায়ৰ হ'লেও অশ্বত্থামাৰ বীৰত্বৰ সমুচিত প্রয়োগ নহ'ল।

নাটকখনত অশ্বত্থামাৰ চৰিত্রটিয়ে যদিও মুখ্য ভূমিকা পালন কৰা নাই তথাপিও অশ্বত্থামাৰ কার্যকলাপৰ দ্বাৰা নাটকীয় ঘটনা প্রবাহে এটি গতি লাভ কৰিছে। সেয়েহে এই চৰিত্রটিৰ অবিহনে ভট্টনাৰায়ণৰ বেণীসংহাৰ নাটকখন অসম্পূর্ণ।

কর্ণ ঃ সুতকুলত পালিত কর্ণৰ চৰিত্রটি মহাভাৰতৰ এটি উল্লেখনীয় চৰিত্র। নীচকুলত জন্মিলেও কর্ণ অত্যন্ত শক্তিশালী আৰু বীৰ আছিল। নাটকখনিত কর্ণৰ চৰিত্রটিক অভিমানী আৰু দুষ্ট প্রকৃতিৰ ব্যক্তি হিচাবে নাট্যকাৰে অংকিত কৰিছে। নিজৰ শক্তিৰ ওপৰত অতিৰিক্ত বিশ্বাস আৰু গর্ব-অহংকাৰেই কর্ণৰ পতনৰ মূল কাৰণ। দুর্যোধনৰ পৰম মিত্র আৰু পৰামর্শদাতা আছিল কর্ণ। অহংকাৰী কর্ণৰ পৰামর্শই দুর্যোধনৰো পতন মাতি আনিছিল।

কর্ণৰ নিজৰ পৌৰুষৰ ওপৰত আছিল অগাধ বিশ্বাস। নিজৰ জন্ম দৈৱাধীন কিন্তু পৌৰুষ নিজে আয়ত্ব কৰিছিল। নাটকখনত কর্ণৰ চৰিত্রটি প্রধান পুৰুষপাত্রসকলৰ ভিতৰত এজন যদিও কর্ণৰ চৰিত্রটি দুর্যোধনৰ চৰিত্রৰ সহায়কাৰীহে। সেয়ে হ'লেও নাটকীয় ঘটনা প্রবাহত কর্ণৰ চৰিত্রৰো অৱদান আছে।

দ্রৌপদী ঃ দ্রৌপদী বেণীসংহাৰ নাটকৰ নায়িকা। স্বীয়া মুগ্ধা শ্রেণীৰ নায়িকা দ্রৌপদী বীৰাংগনাও। স্বকুল বা পিতৃকুলৰ মর্যাদা তেওঁৰ প্রাণতকৈও প্রিয়। দ্রৌপদীৰ চৰিত্রটিয়েই নাটকৰ ঘটনাৰ আলম্বন। দ্রৌপদীৰ উপস্থিতি নাটকখনত প্রথম অংকতেই দেখিবলৈ পোৱা যায়। যুধিষ্ঠিৰৰ সন্ধি প্রস্তাৱত দ্রৌপদীৰ সন্মতি নাছিল। এই বিষয়ে দ্রৌপদীয়ে ভীমক অৱগত কৰি প্রতিশোধ ল'বলৈ উৎসাহ যোগাইছিল।

দুর্যোধনৰ পত্নী ভানুমতীয়ে অপমান কৰাত ক্রুধিত সর্পিনীৰ নিচিনাকৈ সমস্ত কৌৰৱকুল ধ্বংস কৰিবলৈ ইচ্ছা প্রকাশ কৰিছিল। ভীমসেনৰ বীৰত্বৰ ওপৰত দ্রৌপদীৰ অটল বিশ্বাস আছিল আৰু এই কথা পদে পদে দ্রৌপদীৰ সংলাপত পৰিস্ফুত হৈছে। গম্ভীৰসংকটতো অৱশ্যে দ্রৌপদীয়ে কেতিয়াও ধৈর্য্য হেৰুওৱা নাছিল।

ভানুমতী ঃ ভানুমতী নাটকখনৰ প্ৰতিনায়ক দুৰ্যোধনৰ পত্নী। নাটকখনৰ কেৱল দ্বিতীয় অংকতেই ভানুমতীৰ চৰিত্ৰৰ অৱস্থিতি দেখিবলৈ পোৱা যায়। এইখিনি উপস্থিতিত ভানুমতীৰ চৰিত্ৰৰ এটা দিশেই সুস্পষ্টৰূপে চকুত পৰিছে। ভানুমতী স্বামীৰ হিতসাধিনী আছিল। অশুভস্বপ্ন দেখি তাৰ প্ৰতিকাৰ কৰিবলৈ আৰু অনিষ্ট নিবাৰণৰ বাবে পতিৰ কল্যাণ কামনা কৰি মাংগলিক কাৰ্য্যতেই ভানুমতীক ব্যস্ত থকা দেখা যায়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ঃ দুৰ্যোধনৰ পত্নীৰ নাম কি?

.....

.....

প্ৰশ্ন নং ৫ঃ অশ্বত্থামা কাৰ পুত্ৰ আছিল?

.....

.....

প্ৰশ্ন নং ৬ঃ বেণীসংহাৰ নাটকখনৰ নায়িকা কোন?

.....

.....



১৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আমি—

- বেণীসংহাৰ নাটকখনৰ চমু পৰিচয় লাভ কৰিলো।
- নাটকখনৰ শিৰোনামৰ তাৎপৰ্যৰ বিষয়ে অৱগত হ'লো।
- নাটকখনত প্ৰয়োগ হোৱা বিভিন্ন ৰসৰ বিষয়ে জানিব পাৰিলো।
- নাটকখনৰ প্ৰকৃত নায়কৰ বিষয়ে অৱগত হ'লো।
- নাটকখনৰ ছটা অংকৰ সাৰাংশ জানিব পাৰিলো।



১৪.৭ অধিক জানিবলৈ

১) কালে, এম্ আৰ, (১৯৭৭), *বেণীসংহাৰ*, দিল্লী।

২) ত্ৰিপাঠী, ড° ৰমাশংকৰ, (২০১০) *বেণীসংহাৰ*, দিল্লী।

৩) শাস্ত্ৰী, চি শংকৰ ৰাম, (১৯৪৩), *বেণীসংহাৰ*, মাদ্ৰাচ।



১৪.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ বেণীসংহাৰ নাটকখনত ছটা অংক আছে।

২ নং প্রশ্নৰ উত্তৰঃ বেণীসংহাৰ নাটকখনৰ উৎস মহাভাৰত।

৩ নং প্রশ্নৰ উত্তৰঃ বেণীসংহাৰ নাটকখনত মুখ্য ৰস বীৰৰস।

৪ **নং প্রশ্নৰ উত্তৰঃ** দুর্যোধনৰ পত্নীৰ নাম ভানুমতী।

৫ নং প্রশ্নৰ উত্তৰঃ অশ্বত্থামা গুৰু দ্রোণাচার্যৰ পুত্র আছিল।

৬ নং প্রশ্নৰ উত্তৰঃ নাটকখনৰ নায়িকা দ্রৌপদী



১৪.৯ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৫০ শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ঃ তলৰ চৰিত্রসমূহৰ বৈশিষ্ট্য বর্ণনা কৰক।

যুধিষ্ঠিৰ, ভীম, দুর্যোধন, দ্রৌপদী।

(খ) চমু প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ১৫০ টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ঃ 'বেণীসংহাৰ' নাটকখনিৰ এটি চমু পৰিচয় লিখক।

প্রশ্ন ২ঃ 'বেণীসংহাৰ' নাটকখনিৰ শিৰোনামৰ তাৎপর্য্য লিখক।

(গ) ৰচনাধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৩০০-৫০০ শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ঃ নাটকখনৰ নায়ক কোন বিশ্লেষণ কৰক।

প্রশ্ন ২ঃ নাটকখনৰ ৰসৰ বিষয়ে এটি টোকা লিখক।

*** ***** ***